অসম আদিত্য

## সভ্যতাৰ অপমৃত্যু ঘটিছে ঃ সংবাদমেলত বিশিষ্ট মানৱ অধিকাৰ কৰ্মী মিহিৰ দেশাই

ASOM ADITYA 01/07/19

# স্বচ্ছ নহয় বিদেশী ন্যায়াধিকৰণৰ কাম-কাজ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ জুন ঃ** 'বিদেশী ন্যায়াধিকৰণৰ একপক্ষীয় ৰায়ৰ বাবেই সভ্যতাৰ অপমৃত্যু ঘটিছে। প্ৰয়োজনীয় নথি-পত্ৰ থকাৰ সত্ত্বেও ব্যাপক সংখ্যক লোকক একপক্ষীয়ভাৱে বিদেশী ঘোষণা কৰা হৈছে।' এই বিস্ফোৰক অভিযোগ উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশাইৰ। ৰাজ্যৰ নগাঁও, বিজনী, চিৰাং আৰু মহিৰ গাঁৱৰ বৃহৎ অঞ্চল পৰিভ্ৰমণ কৰি বিদেশী ঘোষিত তথা ডি ভোটাৰৰ আতংক লৈ ৯ পৃষ্ঠাত

# স্বচ্ছ নহয় বিদেশী

দুৰ্বিসহ জীৱন যাপন কৰি থকা লোকসকলৰ সৈতে মত বিনিময়ৰ অন্তত আজি গুৱাহাটীত এক সংবাদমেলত এই সমস্ত প্ৰক্ৰিয়াটোক লৈ ক্ষোভ ব্যক্ত কৰে বিশিষ্ট মানৱ অধিকাৰ কৰ্মীগৰাকীয়ে। তেওঁ কয় যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত বহু সময়ত সাংবিধানিক নীতি-নিয়ম উলংঘা কৰা হৈছে। যাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণ প্ৰতি মুহূৰ্ততে সমস্যাৰ সন্মুখীন হৈছে। চূড়ান্ত নাগৰিকপঞ্জী প্ৰকাশৰ বাবে নিৰ্ধাৰিত সময় ধাৰ্য কৰাৰ ফলত এন আৰ চি সেৱাকেন্দ্ৰ আৰু বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলে নিৰ্ধাৰিত লক্ষ্যত সকলো কাম শেষ কৰিবলৈ বিসংগতিৰ আশ্ৰয় লোৱাৰ অভিযোগ তোলে জ্যেষ্ঠ অধিবক্তাগৰাকীয়ে। ইয়াৰ বাবে সংখ্যালঘু আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকৰ মাজত আতংকই গভীৰ মানৱীয় সংকটৰ জন্ম দিয়া বুলি তেওঁ উল্লেখ কৰে। ন্যায়াধিকৰণৰ কাম স্বচ্ছ নহয় আৰু ইয়াৰ বাবে গোটেই প্ৰক্ৰিয়াটোৱে একাংশ লোকক স্পৰ্শকাতৰ কৰি তুলি ন্যায়াধিকৰণৰ বিৰুদ্ধে পক্ষপাতিত্ব আৰু অসংবেদনশীল বুলি অভিযোগ আনিবলৈ বাধ্য কৰাইছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তাগৰাকীয়ে। ন্যায়াধিকৰণে বিদেশী ঘোষণা কৰা অধিকাংশই ভাৰতীয় আৰু ভাৰতীয় হিচাপে তথ্যপাতি থকাৰ পিছতো বিদেশী কলংক লৈ জীয়াই থাকিব লগা হোৱা দিশটোত গভীৰ উদ্বেগ প্ৰকাশ কৰে দেছাই। এইক্ষেত্ৰত দৰিদ্ৰতাক প্ৰধান হেঙাৰ বুলি উল্লেখ কৰি বিশিষ্ট সমাজকৰ্মীগৰাকীয়ে কয়— 'দৈনিক ৫০ টকা উপাৰ্জন কৰা এজন লোকে কিদৰে আইনী প্ৰক্ৰিয়া চলাই নিব। আৰ্থিক দৈন্যতাত ভোগা এইসকল লোকে একপক্ষীয় ৰায়ৰ বলি হৈছে। নাগৰিকপঞ্জীৰ শেহতীয়া কামৰ বাবেই ইতিমধ্যে ৫২ লোকে প্ৰাণ হেৰুৱাইছে।' ন্যায়িক ব্যৱস্থা আৰু কাৰ্যবাহী উভয়ে অসমত শেহতীয়াভাৱে সৃষ্টি হোৱা সংকটক লৈ উপলব্ধি কৰা প্ৰয়োজন বুলি তেওঁ মতপ্ৰকাশ কৰে। মন কৰিবলগীয়া যে চিটিজেন ফৰ জাষ্টিছ এণ্ড পিছ চমুকৈ চিজেপিৰ উদ্যোগত ২৬ জুনৰ পৰা উচ্চতম ন্যায়ালৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেছাই, জ্যেষ্ঠ অধিবক্তা বৃন্দা গ্ৰভাৰ, সাংবাদিক কল্পনা শৰ্মা, চিজেপিৰ সম্পাদক তৃষ্টা ছেতালভাদসহ এটা প্ৰতিনিধি দলে এন আৰ চিৰ পৰা বাদ পৰা, বিদেশী ঘোষিত আৰু ডি ভোটাৰৰ আতংকত কটোৱাসকলৰ সৈতে মত বিনিময় কৰে। সংবাদমেলত তৃষ্টা ছেতালভাদে কয়— 'বহুক্ষেত্ৰত মানৱ অধিকাৰ উলংঘা কৰা হৈছে। বহুলোকৰ নাম এন আৰ চি খচৰাত অন্তৰ্ভুক্ত হৈছিল কিন্তু ভাৰতীয় হিচাপে সকলো নথিপত্ৰ থকাৰ পিছতো ২৬ জুনত প্ৰকাশিত কৰ্তন তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত হয়। সেইসকল ভুক্তভোগীয়ে কেতিয়াও বাংলাদেশ দেখা নাই অথচ এতিয়া বিদেশীৰ অপবাদ ল'বলগীয়া হৈছে।' বিদেশী গোচৰৰ বিচাৰ প্ৰক্ৰিয়াৰ সময়ত সাংবাদিকৰ প্ৰৱেশ নিষিদ্ধ কৰাতো তেওঁ উদ্বেগ প্ৰকাশ কৰে। বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলৰ অভিজ্ঞতাক লৈ তেওঁ প্ৰশ্ন উত্থাপন কৰে। বিদেশী ন্যায়াধিকৰণৰ সময়ত ন্যায়িক বিষয়া থকাৰ লগতে সাংবাদিকৰ দল উপস্থিত থকাটো অতি দৰকাৰী বুলি তেওঁ উল্লেখ কৰে। সম্পাদকগৰাকীয়ে আৰু কয় যে খৰখেদাকৈ বিচাৰ প্ৰক্ৰিয়াৰ জৰিয়তে মানুহৰ অধিকাৰ কাঢ়ি নিয়া হৈছে। অসম চুক্তিৰ ভিত্তিত নাগৰিকপঞ্জী প্ৰস্তুত হ'ব লাগে বুলি উল্লেখ কৰে সম্পাদকগৰাকীয়ে। সংবাদমেলত ব্ৰহ্মপুত্ৰ ভেলী চিভিল ছ'চাইটিৰ কাৰ্যকৰী সভাপতি আব্দুল বাতিন খন্দকাৰ, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰহিম ছিকদাৰ, জাষ্টিছ ফৰামৰ নেতা মতিউৰ ৰহমান, চি জে পিৰ সাধাৰণ সম্পাদক জমছেৰ আলী আদি উপস্থিত থাকে। সভাৰ সিদ্ধান্তমৰ্মে অসমৰ কেন্দ্ৰীয় বিদ্যালয়সমূহৰ প্ৰতিনিধিক লৈ অহা ২৫ আগষ্টত এখন সাধাৰণ সভা আহ্বান কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।